অসম

কলেজৰ চৌহদত বনাব নোৱাৰিব ৰীলছ

ঢেকীয়াজুলিৰ লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ত ৰীলছ নির্মাণ আৰু শ্রেণীকোঠাত মোবাইল ব্যৱহাৰত নিষেধাজ্ঞা জাৰি কৰিছে কর্তৃপক্ষই।

প্রকাশ: ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৭



college bans reels on campus

ঢেকীয়াজুলি:

কলেজৰ চৌহদত বনাব নোৱাৰিব ৰীলছ। ইউনিফর্ম পিন্ধি ভিডিঅ' বা ৰীলছ বনালে লোৱা হ'ব বিহিত ব্যৱস্থা । শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিৱেশ অটুট ৰাখিবলৈ কর্তৃপক্ষৰ এই সিদ্ধান্ত ।শ্রেণীকোঠাতো মোবাইল ফোনৰ অযথা ব্যৱহাৰ সম্পূর্ণৰূপে বন্ধ কৰিছে মহাবিদ্যালয় কর্তৃপক্ষই ।

শৈক্ষিক পৰিৱেশ আৰু অনুশাসন অটুট ৰখাৰ স্বার্থত কেইবাটাও কঠোৰ নির্দেশনা জাৰি কৰিছে ঢেকীয়াজুলিৰ লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয় কর্তৃপক্ষই। নতুন নির্দেশনা অনুসৰি মহাবিদ্যালয় চৌহদৰ ভিতৰত ছাত্র-ছাত্রীয়ে কোনো ধৰণৰ ৰীলছ, শ্বর্টছ বা মনোৰঞ্জনধর্মী ভিডিঅ’ নির্মাণ কৰিব নোৱাৰিব।

ৰীলছ্ নির্মাণ আৰু মোবাইল ব্যৱহাৰত নিষেধাজ্ঞা

কর্তৃপক্ষৰ নির্দেশনাত স্পষ্ট কৰি দিয়া হৈছে যে মহাবিদ্যালয়ৰ নির্ধাৰিত ইউনিফর্ম পৰিধান কৰি ভিডিঅ' নির্মাণ কৰা আৰু ছ'চিয়েল মিডিয়াত আপলোড কৰা কার্য কঠোৰভাৱে নিষিদ্ধ কৰা হৈছে। এই নিয়ম উলংঘা কৰিলে সংশ্লিষ্ট শিক্ষার্থীৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্রহণ কৰা হ'ব বুলি সতর্ক কৰি দিয়া হৈছে।

ইয়াৰ উপৰি শ্রেণীকোঠাত পাঠদান চলি থকাৰ সময়ত মোবাইল ফোন ব্যৱহাৰ কৰাত সম্পূর্ণ বাধা আৰোপ কৰা হৈছে। পাঠদানৰ সময়ত ফোন বন্ধ নাইবা ছাইলেণ্ট মোডত ৰাখিব লাগিব। মহাবিদ্যালয় চৌহদ আৰু বাৰান্দাতো অযথা মোবাইল ফোন ব্যৱহাৰ নকৰিবলৈ ছাত্র-ছাত্রীসকলক নির্দেশ দিয়া হৈছে।

শীতকালীন পোছাক আৰু অনুশাসন

পোছাকৰ ক্ষেত্রতো মহাবিদ্যালয় কর্তৃপক্ষই বিশেষ নির্দেশনা জাৰি কৰিছে। শীতকালত ছাত্র-ছাত্রীসকলে কেৱল মহাবিদ্যালয়ে নির্ধাৰণ কৰি দিয়া ৰঙৰ ছুইটাৰ বা জেকেটহে পৰিধান কৰিব পাৰিব। অন্য ৰঙৰ নাইবা ভিন্ন ডিজাইনৰ জেকেট পিন্ধি আহিলে প্রৱেশদ্বাৰত থকা পঞ্জীয়ন বহীত চহী কৰি বিশেষ অনুমতি লোৱাটো বাধ্যতামূলক কৰা হৈছে। অন্যথা মহাবিদ্যালয়ত প্রৱেশত বাধা দিয়া হ'ব পাৰে।

এই নির্দেশনাৱলী উলংঘা কৰা শিক্ষার্থীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্রহণৰ কথা জনোৱা হৈছে। নিয়ম ভংগ কৰিলে ছাত্র-ছাত্রীৰ মোবাইল ফোন জব্দ কৰা, অভিভাৱকক মাতি আনি লিখিত প্রতিশ্রুতি লোৱা আৰু বাৰে বাৰে নিয়ম অমান্য কৰিলে শিক্ষার্থীক নিলম্বন কৰাৰ দৰে পদক্ষেপো গ্রহণ কৰিব পাৰে কর্তৃপক্ষই।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6894/lokd-college-dhekiajuli-bans-reels-mobile-phones